জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainikasam.in

৬৫ সংখ্যা, ২৪ আহিন, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 65। DIBRUGARH, SATURDAY, OCTOBER 11, 2025 ।পৃষ্ঠা ১৬ (Pages 1

ব্ৰণ

া ম



### কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পদক্ষেপ

## জুবিনৰ নামত প্ৰদান কৰিব বঁটা

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১০ অক্টোবৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ মাজত ৯ অক্টোবৰত হোৱা এক বৈঠকত মহাবিদ্যালয়ৰ নিয়মীয়া পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা শিক্ষাৰ্থীসকলৰ ভিতৰত তিনিগৰাকী শিক্ষাৰ্থীক মহাবিদ্যালয়ৰ এক বিশেষ অনুষ্ঠানত প্ৰয়াত শিল্পী জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদানৰ বাবে এক সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি মহাবিদ্যালয়ৰ পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে— ৰিয়া মেছ (প্ৰথম সৰ্বাধিক)ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ উৎকৃষ্টতা বঁটা', বিধান লাচিত ফুকন (দ্বিতীয় সৰ্বাধিক)ক 'জুবিন গাৰ্গ সোঁৱৰণী প্ৰেৰণা বঁটা' আৰু বিৰাজ বল্লভ গগৈ (তৃতীয় সৰ্বাধিক)ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ প্ৰতিশ্ৰুতি বঁটা' প্ৰদানৰ বাবে মনোনীত কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই জনোৱা মতে, এই বঁটাৰ জৰিয়তে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ এক প্ৰয়াস কৰা হৈছে। আনহাতে, উক্ত সভাতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ বাবে মহাবিদ্যালয় চৌহদত জুবিন গাৰ্গ সংগীত উদ্যান, জুবিন গাৰ্গ সোঁৱৰণী সংগীত ষ্টুডিঅ', জুবিন গাৰ্গ সংগীত বঁটা, জুবিন গাৰ্গ সৃষ্টিশীল মহোৎসৱ, জুবিন গাৰ্গৰ গীতৰ সংৰক্ষণ, জুবিন গাৰ্গ গৱেষণা কেন্দ্ৰ, জুবিন গাৰ্গৰ স্মৃতিত গছপুলি ৰোপণ কাৰ্যসূচী, জুবিন গাৰ্গৰ সমগ্ৰ জীৱনক সামৰি তথ্যচিত্ৰ নিৰ্মাণ, জুবিন গাৰ্গ সোঁৱৰণী বঁটা, জুবিন গাৰ্গ সৃষ্টিশীলতা মঞ্চ, জুবিন গাৰ্গ ডিজিটেল আৰ্কাইভ, জুবিন কণ্ঠ শীৰ্ষক বাৰ্ষিক গীতৰ প্ৰতিযোগিতা, জুবিন গাৰ্গৰ স্মৃতিত নাট্য উৎসৱ, জুবিন গাৰ্গ শান্তি আৰু সম্প্ৰীতি ক্লাব, মহাবিদ্যালয় চৌহদৰ আভ্যন্তৰীণ পথৰ নাম জুবিন গাৰ্গৰ নামত মায়াবিনী পথ ৰূপে নামকৰণ, জুবিন গাৰ্গ ম'বাইল এপ, জুবিন গাৰ্গ স্মৃতি মিউজিয়াম আদি কামসমূহ পৰ্যায়ক্ৰমে কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

### ছাৰ্ভিচ ৰাইফলেৰে মূৰত গুলী

## কাটিগড়াত আৰক্ষীৰ লেন্স নায়কৰ আত্মহত্যা



**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ১০ অক্টোবৰ ঃ** কাছাৰ জিলাৰ কাটিগড়াৰ মহাদেৱপুৰৰ ৬নং এ পি বেটেলিয়নৰ লেন্স নায়েকে নিজৰ চাৰ্ভিচ ৰাইফলেৰে মূৰত গুলী কৰি আত্মহত্যা কৰাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ৬নং এ পি বেটেলিয়নৰ লেন্স নায়েক হিচাপে ৰূপুল বৰ্মনে (৪১)। আজি দুপৰীয় ১.৩০ বজাত পশ্চিম কাটিগড়াৰ দ্বিতীয় লাইন ডিফেন্সৰ মহাদেৱপুৰ বাছপোষ্টত সংঘটিত কৰে এই ঘটনা। জানিবপৰা মতে, বেৰেকৰ ভিতৰত ৰূপুল বৰ্মনে নিজৰ ছাৰ্ভিচ ৰাইফলেৰে মূৰত গুলীচালনা কৰে। বন্দুকৰ গুলীৰ শব্দ শুনি তেওঁৰ সহকৰ্মীসকল উপস্থিত হয় আৰু গুৰুতৰ আহত অৱস্থাত তেওঁক চিকিৎসালয়লৈ লৈ যায়। কিন্তু চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। জানিব পৰা মতে ,ৰূপুল বৰ্মনৰ ঘৰ কাছাৰ জিলাৰ বৰখলা সমষ্টিত। আত্মহত্যাৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

অ

ত

প

দৈনি তামু ধ্বজা খণ্ড তিনি আজি অনুষ্ঠি কৰে প্ৰসং সকলে কৰ্মী অভি জিল সংক লোৰ কৰি পাৰি আন্ত আটি উন্নয়